# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-9-2026
**Time :** 17.15 PM

## *Assamese Evening Bulletin*
### Headlines
--------------------

১। আধাতে বিদ্যালয় এৰা শিক্ষাৰ্থীৰ সংখ্যা হ্ৰাস কৰাৰ বাবে লবলগীয়া পদক্ষেপ সন্দৰ্ভত জিলা আয়ুক্তৰ সন্মিলনত আলোচনা।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে ১৭ ছেপ্তেম্বৰৰ পৰা ৰাজ্য চৰকাৰৰ সেৱা সমৰ্পন মাহ পালনৰ সিদ্ধান্ত।

৩। শৰাইঘাটৰ পুৰণি দলং যান-বাহনৰ চলাচলৰ বাবে আজি পুনৰ মুকলি। *আৰু*

৪। ভাৰত আৰু আফগানিস্তানৰ মাজৰ চলিত টি-২০ ক্ৰিকেট শৃংখলাৰ আজি নতুন দিল্লীত দ্বিতীয়খন খেল।

০০০০০

যোৰহাটত যোৱা নিশা সামৰণি পৰা জিলা আয়ুক্তৰ দুদিনীয়া সন্মিলনত শিক্ষা, স্বাস্থ্যৰ লগতে বহুকেইটা গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰা হয় বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি প্ৰকাশ কৰে। যোৰহাটত অনুষ্ঠিত এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে মাধ্যমিক পৰ্যায়ত আধাতে বিদ্যালয় এৰা শিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধি পোৱা প্ৰসংগত সন্মিলনত দীৰ্ঘ সময় ধৰি আলোচনা হয়। আধাতে বিদ্যালয় এৰা শিক্ষাৰ্থীৰ সংখ্যা হ্ৰাস কৰাৰ বাবে লবলগীয়া পদক্ষেপ সন্দৰ্ভত জিলা আয়ুক্তসকলৰ সৈতে পুংখানুপুংখভাৱে আলোচনা কৰা হয় বুলি তেওঁ কয়। যক্ষ্মামুক্ত ভাৰত, নতুন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা সন্দৰ্ভতো জিলা আয়ুক্তৰ সন্মিলনত আলোচনা কৰা হয় বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে বাজেটত উল্লেখ কৰা ৪ হাজাৰ স্বাস্থ্যকেন্দ্ৰক চিকিৎসালয়লৈ উন্নীত কৰা সন্দৰ্ভতো জিলা আয়ুক্তৰ সন্মিলনত বিশদভাৱে আলোচনা কৰা হয়। ৰাজ্যত আয়োজিত হ'বলগীয়া খেল মহাৰণ সন্দৰ্ভতো জিলা আয়ুক্তৰ সন্মিলনত আলোচনা কৰা হয়।

বাইট-মুখ্যমন্ত্ৰী

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন আৰু মুখ্যমন্ত্ৰী, প্ৰধানমন্ত্ৰীৰূপে ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে বিশেষ কাৰ্যসূচী গ্ৰহণ কৰাৰ বিষয়েও মুখ্যমন্ত্ৰীগৰাকীয়ে সংবাদমেলত প্ৰকাশ কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী মোদীৰ জন্মদিন ১৭ ছেপ্তেম্বৰৰ পৰা ১৭ অক্টোবৰলৈ সেৱা সমৰ্পন মাহৰূপে পালন কৰা হ'ব। এই সময়ছোৱাত কুইজ, আবৃত্তি প্ৰতিযোগিতাকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব বুলি তেওঁ মন্তব্য কৰে।

বাইট-মুখ্যমন্ত্ৰী

০০০০০

শৰাইঘাটৰ পুৰণি দলং যান-বাহনৰ চলাচলৰ বাবে আজি পুনৰ মুকলি কৰি দিয়া হৈছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মহা প্ৰবন্ধকৰ উপস্থিতিত আয়োজিত অনুষ্ঠানৰ পাছতে দলংখন মুকলি কৰা হয়। প্ৰায় ৮ কোটি টকা ব্যয় সাপেক্ষে উন্নত প্ৰযুক্তিৰে মেৰামতি কৰা দলংখনেৰে যাতায়াতৰ বাবে আজি আনুষ্ঠানিকভাৱে অনুমতি প্ৰদান কৰা হয়।

উল্লেখযোগ্য যে মেৰামতিৰ বাবে যোৱা ১৩ জুলাইৰ পৰা দলংখনেৰে যাতায়াত বন্ধ আছিল।

০০০০০

সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানমৰ্মে আজি ৰাজ্যৰ বিভিন্ন জিলাত সংঠনটোৰ কৰ্মীসকলে মাদক দ্ৰব্যৰ সৰবৰাহ আৰু প্ৰচলনৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। শিৱসাগৰত আয়োজিত কাৰ্যসূচীত সংগঠনটোৰ কৰ্মীসকলৰ লগতে বিভিন্ন শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। প্ৰতিবাদকাৰীসকলে মাদক দ্ৰব্যৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। বজালী জিলাৰ পাঠশালাত আজি জিলা ছাত্ৰ সন্থাৰ উদ্যোগত মাদক দ্ৰব্য বিৰোধী সমদল উলিওৱা হয়। বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয় চৌহদৰ পৰা উলিওৱা সমদলত বিভিন্ন বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

কামৰূপ মহানগৰ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আজি গুৱাহাটী মহানগৰীৰ উজান বজাৰত শ্বহীদ ন্যাস ভৱনত মাদক দ্ৰব্যৰ বিৰুদ্ধে শ্ল'গান দি প্ৰতিবাদী সমদল উলিওৱা হয়। ইয়াৰ জৰিয়তে মাদক দ্ৰব্যৰ বিৰুদ্ধে শক্তিশালী স্থিতি লবলৈ সংগঠনটোৰ নেতৃবৰ্গই ৰাজ্য চৰকাৰক আহ্বান জনাই। সংগঠনটোৰ সভাপতি উৎপল শৰ্মাই মাদক দ্ৰব্যৰ সৰবৰাহৰ সৈতে জড়িত সকলোকে চিনাক্ত কৰি শাস্তি বিহিবলৈ আহ্বান জনায়। সংগঠনটোৰ মুখ্য উপদেষ্টা ড০ সমুজ্বল কুমাৰ ভট্টাচাৰ্য্যই মাদক দ্ৰব্যৰ অপকাৰিতাৰ সন্দৰ্ভত আলোচনাৰ মাধ্যমেৰে ব্যাপক সজাগতা সৃষ্টিৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

০০০০০

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ কাইলৈ অন্তিম দিন। নিৰ্বাচনৰ বাবে প্ৰতিটো ৰাজনৈতিক দলে তৎপৰতা অব্যাহত ৰাখিছে। সমষ্টিটোৰ বিজেপি প্ৰাৰ্থী দেবাশীষ শৰ্মাই বিভিন্ন স্থানত দলীয় সভাত অংশগ্ৰহণ কৰাৰ লগতে ভোটদাতাৰ সৈতে মত বিনিময় কৰিছে। প্ৰাৰ্থীগৰাকীয়ে কাইলৈ মনোনয়ন পত্ৰ দাখিল কৰিব।

ইপিনে এ আই ই ডি এফ দলে বদৰুদ্দিন আজমলক নগাওঁ লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰাৰ্থী হিচাপে ঘোষণা কৰিছে। আজি দিনৰ ২ বজাত অনুষ্ঠিত দলৰ শীৰ্ষ পৰ্য্যায়ৰ বৈঠকত এই সিদ্ধান্ত লোৱা হয়। দলটোৱে ইতিপূৰ্বে ৰেজাউল কৰিম চৰকাৰক দলীয় প্ৰাৰ্থী হিচাপে বিবেচনা কৰিছিল।

নিৰ্বাচন সুকলমে সম্পন্ন কৰাৰ প্ৰস্তুতিৰ অংশ হিচাপে আজি মৰিগাঁও জিলা পুথিভঁড়ালত মাণ্ডলিক আৰু খণ্ড বিষয়াসকলৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। অসামৰিক আৰু আৰক্ষী বিভাগৰ সংশ্লিষ্ট বিষয়াসকলৰ অংশগ্ৰহণেৰে অনুষ্ঠিত এই প্ৰশিক্ষণ কাৰ্যসূচীত নিৰ্বাচনী দায়িত্ব সুচাৰুৰূপে পালন কৰাৰ বাবে বিষয়াসকলক প্ৰয়োজনীয় নিৰ্দেশনা প্ৰদান কৰে। প্ৰশিক্ষণ কাৰ্যসূচীত জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া সৃষ্টিশ্ৰী সিং উপস্থিত থাকে। ০০০

উল্লেখযোগ্য যে অহা ৬ অক্টোবৰত নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। এই নিৰ্বাচনৰ বাবে ইচ্ছুক প্ৰাৰ্থীসকলে অহা ১৬ ছেপ্তেম্বৰ পৰ্যন্ত মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব। ৯ অক্টোবৰত ভোটগণনা কৰা হ'ব।

০০০০০০০০

প্ৰাকৃতিক দুৰ্যোগৰ প্ৰতি জনসাধাৰণক সজাগ কৰাৰ লক্ষ্যৰে আজি মৰিগাওঁ জিলাত আখৰা অনুষ্ঠিত হয়। মৰিগাওঁৰ মায়ং ৰাজহ চক্ৰৰ অন্তৰ্গত জাগীৰোডৰ কেন্দ্ৰীয় বিদ্যালয় আৰু ড্ৰাই ফিছ চাৰিআলিত ভূমিকম্প, অগ্নিকাণ্ড আৰু বানৰ সময়ত ল'বলগীয়া সাৱধানতা সন্দৰ্ভত আখৰা কাৰ্যসূচী অনুষ্ঠিত হয়। জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণে অগ্নি আৰু জৰুৰীকালীন সেৱাৰ সহযোগত এই কাৰ্যসূচী ৰূপায়ণ কৰে। জিলাখনৰ ভূৰাগাওঁ ৰাজহ চক্ৰৰ অন্তৰ্গত জাপৰি আয়ুস্মান আৰোগ্য মন্দিৰতো অনুৰূপ কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

০০০০

বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষীয়ে আজি বাংকাভাঙাত অভিযান চলাই মাদক দ্ৰব্যসহ এজন লোকক গ্ৰেপ্তাৰ কৰে। অভিযানৰ সময়ত হাফিজুৰ ৰহমান নামৰ লোকজনৰ  ঘৰৰ পৰা ড্ৰাগছ ভৰ্তি কেইবাটাও কণ্টেইনাৰ উদ্ধাৰ কৰে। আৰক্ষীৰ অভিযানৰ সময়ত হাফিজুৰে পলাবলৈ চেষ্টা কৰে যদিও আৰক্ষীয়ে তেওঁক কৰায়ত্ত কৰে।

০০০০

বৈষ্ণৱ ধৰ্মৰ অন্যতম প্ৰচাৰক শ্ৰীশ্ৰী হৰিদেৱৰ আজি আৱিৰ্ভাৱ তিথি। ১৪২৬ খ্ৰীষ্টাব্দত লক্ষিমপুৰৰ নাৰায়ণপুৰত জন্মলাভ কৰা হৰিদেৱ আছিল মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্মৰ চাৰিগৰাকী প্ৰচাৰকৰ অন্যতম এজন। তেওঁ একশৰণ বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ অৰ্থে মানেৰি সত্ৰ, বহৰি সত্ৰ, হৰিপুৰ সত্ৰ আৰু কৈহাটী সত্ৰ স্থাপন কৰিছিল। কেইবাখনো গ্ৰন্থ ৰচনা কৰা হৰিদেৱ এগৰাকী গীতিকাৰো আছিল। সহজ-সৰল চুটি চুটি বাক্যৰ জৰিয়তে গভীৰ ভাব প্ৰকাশ কৰা হৰিদেৱৰ গদ্যশৈলীৰ অন্যতম বৈশিষ্ট্য। **ভক্তিৰস তৰংগিনী** তেওঁ ৰচনা কৰা প্ৰাচীন অসমীয়া গদ্য সাহিত্যৰ অন্যতম নিদৰ্শন। হৰিদেৱৰ জন্মতিথি উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০

ৰাজ্য চৰকাৰৰ হস্ততাঁত, বস্ত্ৰ, ৰেচম আৰু দক্ষতা  বিকাশ বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে আজি ধেমাজী জিলাৰ গোগামুখত থকা ৰেচম পাম পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ছোৱাত মন্ত্ৰীগৰাকীয়ে পামখনৰ বিষয়া কৰ্মচাৰীসকলৰ সৈতে আন্তঃগাথনিগত উন্নয়নৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে ৰেচম উৎপাদক আৰু কৃষকসকলৰ সৈতেও ৰেচম উৎপাদন বৃদ্ধি, নতুন প্ৰযুক্তিৰ ব্যৱহাৰ আৰু পামখনৰ আধুনিকীকৰণৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰে। মন্ত্ৰীগৰাকীয়ে লগতে মিছিং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ চায়েঙিয়া, অধ্যক্ষ সুনিল কুমাৰ পেগুৰ উপস্থিতিত পৰিষদৰ কাৰ্যবাহী সদস্য, সাধাৰণ সদস্য তথা বিষয়ববীয়াসকলৰ সৈতেও এখন বিশেষ বৈঠকত মিলিত হয়। বৈঠকত মিছিং স্বায়ত্ত শাসিত পৰিষদীয় এলেকাৰ বিভাগীয় কাম-কাজৰ অগ্ৰগতি, নতুন চিন্তা পৰিকল্পনা, সন্দৰ্ভত বিশদভাৱে পৰ্যালোচনা কৰা হয়। মন্ত্ৰী শ্ৰীদৈমাৰীয়ে গোগামুখৰ

পশ্চিম বালিগাঁৱত থকা চুমনিপামতো উপস্থিত হয়। ধেমাজী জিলা ৰেচম বিভাগৰ দ্বাৰা আয়োজিত সভাত মূগা পালকসকলৰ বিভিন্ন সমস্যাৰাজি সন্দৰ্ভতো তেওঁ মত বিনিময় কৰে।

০০০০

ভাৰত আৰু আফগানিস্তানৰ মাজৰ চলিত টি-২০ ক্রিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। শৃংখলাটোৰ তৃতীয়খন খেল পৰহিলৈ একেখন ষ্টেডিয়ামতে অনুষ্ঠিত হ'ব।

০০০০

সমাপ্ত